**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 19-07-2025 **Time :** 0900 Hrs.

## Assamese Morning Bulletin
## HEADLINES

১। খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাসমূহৰ কৃষকসকলক ৰাজ্য চৰকাৰৰ ক্ষতিপূৰণ প্ৰদানৰ সিদ্ধান্ত।

২। ৰবীন্দ্ৰ ভৱন পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে সুসংগঠিত পৰিকল্পনা গ্ৰহণ কৰিছে বুলি মন্ত্ৰী বিমল বৰাৰ প্ৰকাশ।

৩। কোকৰাঝাৰ জিলা কাৰাগাৰৰ পৰা এন ডি এফ বিৰ ২২ জন প্ৰাক্তন সদস্যক জামিনত মুকলি ।

৪। ৰাজ্যত জাপানীজ এনকেফেলাইটিছত এতিয়ালৈকে ৩০ জনৰ মৃত্যু।

**আৰু**

৫। অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাত ল'ৰাৰ ১৪ বছৰ অনুৰ্ধ শাখাত অসমৰ নিব্ৰাছ হুছেইনৰ একক আৰু ডাবলছৰ খিতাপ জয়।

০০০০০০০

ৰাজ্য চৰকাৰে খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাসমূহৰ কৃষকসকলক ক্ষতিপূৰণ প্ৰদান কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত দিছপুৰত অনুষ্ঠিত অসম মন্ত্ৰীসভাৰ বৈঠকত কালি এই সিদ্ধান্ত গ্ৰহণ কৰা হয়। মন্ত্ৰীসভাৰ বৈঠকৰ পাছত এখন সংবাদমেলত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয়, যে ৰাজ্যত খৰাংসদৃশ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি ইয়াক ৰাজ্যিক দুৰ্যোগ বুলি বিবেচনা কৰি মন্ত্ৰীসভাই অসম দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ নীতি অনুসৰি নিৰ্ধাৰিত জিলাসমূহৰ কৃষকসকলক ক্ষতিপূৰণৰ সুবিধা প্ৰদানত অনুমোদন জনায়। খৰাংসদৃশ পৰিস্থিতিৰ সৃষ্টি হোৱা জিলাকেইখন হৈছে–- ডিব্ৰুগড়, তিনিচুকীয়া, বঙাইগাঁও, ধুবুৰী, বৰপেটা, বাক্সা আৰু চিৰাং। এই জিলাকেইখনত ৪০ শতাংশ কম বৰষুণ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

**ৰাইট (চি এম)**

অসম মন্ত্ৰীসভাই ডিব্ৰুগড়ৰ অসম চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ৩৫৭ কোটি টকা ব্যয় সাপেক্ষে অধ্যাপকৰ আবাসগৃহ আৰু ছাত্ৰাবাস নিৰ্মাণৰ প্ৰকল্পত অনুমোদন জনায়। ৮৫ হাজাৰ ৫০৯ বৰ্গ মিটাৰ এলেকাজুৰি নিৰ্মাণ কৰিবলগীয়া এই প্ৰকল্পৰ জৰিয়তে অসম চিকিৎসা মহাবিদ্যালয় হাস্পতাল চৌহদত কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ অতিৰিক্ত সুবিধা প্ৰদানৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। বৈঠকত মিছন বসুন্ধৰাৰ তৃতীয় পৰ্যায়ৰ অধীনত ৰাজ্য চৰকাৰৰ ৪ হাজাৰতকৈও অধিক আন্তঃগাঁথনিমূলক প্ৰকল্পৰ বাবে ভূমি আৱণ্টনত অনুমোদন জনোৱা হয়। ইপিনে, এটি কলি দুটি পাত আঁচনি ৰূপায়ণৰ বাবে ৩৪২ কোটি টকাৰ বিত্তীয়

আৱণ্টনটো মন্ত্রীসভাই অনুমোদন জনায়। এই আঁচনিৰ অধীনত যোগ্য বিবেচিত চাহ বাগিচাৰ প্রায় সাত লাখ শ্রমিক আৰু কৰ্মচাৰীক পাঁচ হাজাৰ টকাৰ একক কিস্তিত এই ধন বিতৰণ কৰা হ'ব।

০০০০০০০

ৰাজ্য চৰকাৰে ৰবীন্দ্র ভৱন পুনৰ নিৰ্মাণৰ বাবে সুসংগঠিত পৰিকল্পনা গ্রহণ কৰিছে। ইয়াৰ বাবে কাৰিকৰী বিশেষজ্ঞৰ উপৰি সাংস্কৃতিক ক্ষেত্রৰ বিশেষজ্ঞৰ পৰামৰ্শ গ্রহণ কৰা হৈছে। সাংস্কৃতিক মন্ত্রী বিমল বৰাই কালি সাংবাদিকৰ আগত এইকথা উল্লেখ কৰি কয়, যে প্রথম অৱস্থাত ৰবীন্দ ভৱনটো মেৰামতিৰ বাবে সিদ্ধান্ত লোৱা হৈছিল। কিন্তু ভৱনটোৰ জৰাজীৰ্ণ অৱস্থাৰ প্ৰতি লক্ষ্য ৰাখি মুখ্যমন্ত্রীৰ সৈতে আলোচনা কৰি সম্পূৰ্ণ ভৱনটোৰে নতুনকৈ নিৰ্মাণৰ সিদ্ধান্ত লোৱা হয়। লোকনিৰ্মাণ বিভাগে ইতিমধ্যে ইয়াৰ প্ৰাৰম্ভিক কাম-কাজ আৰম্ভ কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। এই পৰিকল্পনা ৰূপায়ণৰ বাবে চৰকাৰ শেষ পৰ্য্যায়ত উপনীত হৈছে আৰু শীঘ্রেই এটা আটকধুনীয়া সাংস্কৃতিক ভৱন নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে কেইবামহলীয়াকৈ নিৰ্মাণ কৰিবলগীয়া নতুন ৰবীন্দ্ৰ ভৱনৰ প্ৰথম দুটা মহলাত দুটাকৈ প্ৰেক্ষাগৃহ থাকিব বুলিও উল্লেখ কৰে।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে ৩ বছৰ ধৰি বন্ধ হৈ থকা গুৱাহাটীৰ ৰবীন্দ্ৰ ভৱন পুনৰ মুকলি কৰাৰ দাবীত কালি সাংস্কৃতিক ঐক্যমঞ্চ অসমে প্ৰতিবাদ সাব্যস্ত কৰে। ঐক্যমঞ্চৰ নেতৃত্বত নাট্যশিল্পী, অভিনেতা, শিল্পী কলাকুশলীসকলে গীতে-মাতে প্ৰতিবাদ সাব্যস্ত কৰি ছমাহৰ ভিতৰত ৰবীন্দ্ৰ ভৱন মুকলি কৰি দিবলৈ চৰকাৰৰ প্ৰতি আহ্বান জনায়। উল্লেখযোগ্য যে কেইবা দশক জুৰি ৰবীন্দ্ৰ ভৱনৰ মঞ্চখন শিল্প সংস্কৃতিৰ ধাৰাবাহিক চৰ্চা আৰু বিকাশৰ ঐতিহ্যপূৰ্ণ কেন্দ্ৰ হিচাপে পৰিগণিত হৈছে। এই মঞ্চতেই অসমৰ ভালেসংখ্যক আগশাৰীৰ শিল্পীৰ উত্তৰণ হৈছে। কালি প্ৰতিবাদকাৰী শিল্পীৰ দলটোৱে বিলম্ব নকৰাকৈ আৰু কম ব্যয় সাপেক্ষে ভৱনটো ছমাহৰ ভিতৰত মেৰামতি কৰিবলৈ আহ্বান জনায়।

০০০০০০০

কোকৰাঝাৰ জিলা কাৰাগাৰৰ পৰা এন ডি এফ বিৰ ২২ গৰাকী প্ৰাক্তন সদস্যক কালি জামিনত মুকলি কৰি দিয়া হয়। মুকলি কৰি দিয়া সদস্যকেইজন ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থাই তদন্ত কৰি থকা বিভিন্ন গোচৰত জড়িত থকাৰ অভিযোগত ১০ বছৰ ধৰি কাৰাৰুদ্ধ হৈ আছিল। এই গোচৰসমূহ পাছত ৰাজ্য চৰকাৰক অৰ্পণ কৰা হয় আৰু জিলা আদালতে তেওঁলোকক জামিন প্ৰদান কৰে। ২০২০ চনত স্বাক্ষৰিত বড়ো শান্তি চুক্তি ৰূপায়ণৰ দিশত এই সদস্যকেইজনক মুকলি কৰি দিয়া বিষয়টো গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। উল্লেখযোগ্য যে এন আই এয়ে তদন্ত কৰা গোচৰত এন ডি এফ বিৰ ৩৯ গৰাকী প্ৰাক্তন সদস্য কাৰাগাৰত আছিল। ইয়াৰে কালি মুকলি হোৱা ২২ জনকে ধৰি বৰ্তমানলৈ মুঠ ৩৫ জন জামিনত মুকলি হৈছে। বাকী থকা ৪ জন সদস্যও শীঘ্ৰেই মুকলি আকাশৰ তললৈ অহাৰ সম্ভাৱনা আছে।

০০০০০০০

ৰাজ্যত সংহাৰী ৰূপ ধাৰণ কৰা জাপানীজ এনকেফেলাইটিছৰ প্ৰকোপত এতিয়ালৈ ৩০ জন লোকে প্ৰাণ হেৰুৱাইছে। ইয়াৰে শিশু-মহিলাসহ ২১ গৰাকীৰ গুৱাহাটী চিকিৎসামহাবিদ্যালয় হাস্পতালত মৃত্যু হৈছে। ইয়াৰ মাজত দৰং আৰু বজালীৰ দুজনকৈ, শোণিতপুৰ, ওদালগুৰি, বঙাইগাঁও, বৰপেটা, ধুবুৰী আৰু নগাঁৰৰ এজনকৈ ৰোগী আছে। হাস্পতাল কৰ্তৃপক্ষই প্ৰকাশ কৰা অনুসৰি এক এপ্ৰিলৰ পৰা এতিয়ালৈ ৭০ জন লোক

হাস্পতালখনত ভৰ্তি হৈছে আৰু বৰ্তমানেও ২৯ জন সক্ৰিয় ৰোগী চিকিৎসাধীন হৈ আছে। গোলাঘাট, ধেমাজি, শোণিতপুৰৰ উপৰি নলবাৰী, দৰং, কামৰূপ আদি জিলাতো গুৰুতৰ ৰূপ ধাৰণ কৰা এই ৰোগৰ আক্ৰান্তৰ সংখ্যা ২৫০ অতিক্ৰম কৰিছে। পাহাৰীয়া জিলা পশ্চিম কাৰ্বি আংলঙৰ লগতে হোজাই জিলাতো জাপানীজ এনকেফেলাইটিছৰ প্ৰাদুৰ্ভাৱ দেখা গৈছে।

০০০০০০০

ৰে'লৱে পৰিষদে ডিব্ৰু-শদিয়া ৰে'লপথৰ ডুমডুমা ৰে'লৱে ষ্টেচন মুকলি সন্দৰ্ভত উত্তৰ-পূব সীমান্ত ৰে'ল প্ৰশাসনলৈ পত্ৰ প্ৰেৰণ কৰিছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ মুখ্য বাণিজ্যিক পৰিচালককলৈ প্ৰেৰণ কৰা এই পত্ৰখনত যাত্ৰীৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা আৰু টীকট কাউণ্টাৰ স্থাপন সন্দৰ্ভতো উত্তৰ বিচৰা হৈছে। ৰে'লৱে পৰিষদৰ যান-বাহন বাণিজ্যিক শাখাৰ যুটীয়া সঞ্চালক নিশিথ লুকাছ টিগগাই যোৱা উত্তৰ-পূব সীমান্ত ৰে'লৱেক অহা ২১ জুলাইৰ ভিতৰত এই পত্ৰৰ বিশদ প্ৰতিবেদন দাখিল কৰিবলৈ স্পষ্ট কৰি দিছে।

উল্লেখযোগ্য যে অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ ৰে'ল যোগাযোগ ব্যৱস্থাৰ গুণগত মান উন্নীত কৰাৰ সন্দৰ্ভত সাংসদ গৌৰৱ গগৈৱে যোৱা ১ জুলাইত ৰে'লৱে পৰিষদলৈ এখন অনুৰোধ পত্ৰ প্ৰেৰণ কৰিছিল। ৰে'ল সেৱাৰ বিষয়ত উদ্বেগ প্ৰকাশ কৰি সাংসদগৰাকীয়ে প্ৰেৰণ কৰা এই পত্ৰখনত ২২টা পৰামৰ্শও আগবঢ়োৱা হৈছিল।

০০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি আমেৰিকাৰ জৰ্জিয়া বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক তথা ইংৰাজী আৰু অসমীয়া ভাষাৰ জনপ্ৰিয় লেখক আৰুণি কাশ্যপৰ সৈতে এটা কথোপকথন প্ৰচাৰ কৰিব। নিশা ৮ বাজি ২ মিনিটৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰচাৰিত হ'বলগীয়া এই কথোপকথনত লেখকগৰাকীৰ সৈতে অংশগ্ৰহণ কৰিব আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে।

০০০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি দুলীয়াজন সম-জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। সভাত অসম মালাৰ অধীনত মৰাণ, টিংখং, নাহৰকটীয়া আৰু টেঙাখাটত পথ উন্নীতকৰণৰ সৈতে জড়িত বিভিন্ন বিষয়কলৈ আলোচনা কৰা হয়। অঞ্চলকেইটাত পথ উন্নীতকৰণৰ কামকাজৰ ক্ষেত্ৰত উদ্ভৱ হোৱা সমস্যা সমূহৰ বুজ লোৱাৰ লগতে আয়ুক্তগৰাকীয়ে দুলীয়াজান আৰু টিপলিঙত হৈ থকা অসম মালাৰ নিৰ্মাণ কাৰ্যৰো বুজ লয়। সভাখনত দুলীয়াজান সম-জিলাৰ আয়ুক্ত আৰু অতিৰিক্ত জিলা আয়ুক্তৰ উপৰি কেইবাটাও ৰাজহচক্ৰৰ চক্ৰ বিষয়া তথা লোক নিৰ্মাণ বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০০

অসম আৰ্চাৰী একাডেমী ডিব্ৰুগড়ৰ উদ্যোগত আৰু অসম আৰ্চাৰী সন্থা, ডিব্ৰুগড় জিলা ক্ৰীড়া সন্থা তথা ডিব্ৰুগড় ক্ৰীড়া বিষয়াৰ কাৰ্যালয়ৰ সহযোগত উজনি অসমত প্ৰথমবাৰলৈ আৰ্চাৰী খেলৰ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। মণিপুৰৰ প্ৰশিক্ষক ছানাটোম্বা সিঙে প্ৰশিক্ষণ দি থকা আৰু শতাধিক প্ৰশিক্ষাৰ্থীয়ে অংশ লোৱা এই শিবিৰ ৩০ জুলাইলৈ চলিব। কালি প্ৰশিক্ষণৰ অষ্টম দিনটোত প্ৰশিক্ষকগৰাকীয়ে প্ৰশিক্ষাৰ্থী তথা অভিভাৱকসকলৰ সৈতে এখন সৌহাৰ্দ্যপূৰ্ণ সভাত অংশগ্ৰহণ কৰে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ টিংখাং উন্নয়ন খণ্ডৰ দুই নম্বৰ ৰঙাবননী গাঁৱত ৰাষ্ট্ৰীয় ভোজ্য তেল- তৈল খেজুৰ অভিযানৰ অধীনত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। অতিৰিক্ত জিলা আয়ুক্ত বিৰাজ বৰুৱাই উদ্বোধন কৰা এই কাৰ্যসূচীত প্ৰায় দুবিঘা কৃষিভূমিত তৈল খেজুৰৰ পুলি ৰোপণ কৰা হয়। তৈল খেজুৰ ৰোপণ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি এখন সজাগতা সভাও অনুষ্ঠিত হয়। সভাত অতিৰিক্ত জিলা আয়ুক্তগৰাকীয়ে তৈল খেজুৰৰ খেতি কৰি কিদৰে কৃষকসকল লাভান্বিত হ'ব পাৰিব সেই সন্দৰ্ভত ব্যক্তব্য আগবঢ়ায়। অনুষ্ঠানত জিলা কৃষি বিষয়া অনুপ কুমাৰ পেগুৱে বিকল্প কৃষি হিচাপে তৈল খেজুৰৰ প্ৰয়োজনীয়তা সন্দৰ্ভত কৰে।

০০০০০০০

গুৱাহাটীত অনুষ্ঠিত অইল আইটা ছুপাৰ ছিৰিজ ৰাষ্ট্ৰীয় টেনিছ প্ৰতিযোগিতাৰ কালি সামৰণি পৰে। সদৌ অসম টেনিছ সন্থাৰ উদ্যোগত গুৱাহাটীৰ চচলত আয়োজিত এই প্ৰতিযোগিতাৰ ল'ৰাৰ ১৪ বছৰ অনুৰ্ধ শাখাত অসমৰ নিব্ৰাছ হুছেইনে একক আৰু ডাবলছ্ শাখাৰ খিতাপ দখল কৰে। নিব্ৰাছে একক শাখাৰ ফাইনেলত বিহাৰৰ অবিনাশ ৰয়ক ৬-২, ৬-২ ব্যাৱধানত পৰাস্ত কৰাৰ উপৰি ডাবলছত অসমৰ চন্দ্ৰ মোহান্তিৰ সৈতে যুটী বান্ধি বিহাৰৰ ৰিক ৰাউট আৰু অবিনাশ ৰয়ক ৬-৩, ৬-১ ছেটত পৰাস্ত কৰে।

ইপিনে অসমৰ কৃষ্টি হালৈয়ে ডাবলছৰ ১২ বছৰ অনুৰ্ধ শাখাৰ ফাইনেলত কৰ্ণাটকৰ আনিশাৰ সৈতে যুটী বান্ধি অসমৰে ধ্যানিস্কা মহন্ত আৰু বংগৰ ইভানা ৬-৩, ৬-৩ ছেটত পৰাস্ত কৰে। অৱশ্যে খেলুৱৈগৰাকী ১২ আৰু ১৪ বছৰ অনুৰ্ধ একক শাখাৰ দুয়োখন ফাইনেলতে পৰাস্ত হয়।

প্ৰতিযোগিতাৰ ১৪ বছৰ অনুৰ্ধ ডাবলছ্ শাখাত অসমৰ ধ্যানা মৰং আৰু আনিয়া বিশ্বাসে অসমৰে সংস্কৃতি বৰা আৰু ওড়িশাৰ স্বৰ্ণচানা দাসক পৰাস্ত কৰে। ল'ৰাৰ ১২ বছৰ অনুৰ্ধ একক শাখাত মহাৰাষ্ট্ৰৰ আহান আৰু ডাবলছত অথৰ্ব আৰু শ্লোক আনন্দ চেম্পিয়ন হয়।

০০০০০০০

## News Paper Rev

ৰাজ্যত খৰাঙৰ কবলত পৰা কৃষকক দুৰ্যোগ ব্যৱস্থাপনা নীতি অনুসৰি ক্ষতিপূৰণ দিবৰ বাবে নীতিগতভাৱে ৰাজ্যিক কেবিনেটে অনুমোদন দিয়াৰ বাতৰিটো অসমীয়া প্ৰতিদিন, দৈনিক জনমভূমি, দৈনিক অসম, দ্য চেণ্টিনেল, আমাৰ অসমৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে।

অসমীয়া প্ৰতিদিন কাকতে ৰবীন্দ্ৰ ভৱন মুকলিৰে দাবীৰে প্ৰতিবাদ কৰাৰ বাতৰি শিল্পীৰ আৱেগক লৈ খেলা নকৰিব শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কালি ৰাজ্যৰ উচ্চ কাৰিকৰী শিক্ষা বিভাগৰ অধীনত ৩৪২ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰাৰ কৰে। এয়া নিয়মীয়া বাৰ্তা আৰু আমাৰ অসম কাকতৰ বাতৰি।

পেহেলগাম আক্ৰমণত জড়িত টি আৰ এফক আমেৰিকাই বিশ্ব সন্ত্ৰাসবাদী সংগঠন ঘোষণা কৰাৰ বাতৰিক দ্য চেণ্টিনেল আৰু দ্য টাইমছ্ অব ইণ্ডিয়া কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

আমাৰ অসম কাকতে বিহাৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৭ হাজাৰ ২০০ কোটি টকাৰ প্ৰকল্পৰ উদ্বোধন আৰু শিলান্যাস কৰাৰ বাতৰি প্ৰকাশ কৰিছে।

পদ্মশ্ৰী হেমপ্ৰভা চুতীয়াই এইবাৰ তাঁত শালত মুগা সূতাৰে হিন্দী আৰু ইংৰাজী ভাষাত নামঘোষা প্ৰস্তুত কৰাৰ বাতৰি দৈনিক অসম কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

শেহতীয়া তথ্য মতে, আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিভিন্ন শিক্ষানুষ্ঠানত নামভৰ্তি কৰা ভাৰতীয় শিক্ষাৰ্থীৰ সংখ্যা ৭০ৰ পৰা ৮০ শতাংশ পৰ্যন্ত হ্ৰাস পাইছে। দৈনিক অগ্ৰদূত কাকতে এই বাতৰিক বিশেষ গুৰুত্ব দিছে।

নামনিৰ পিছত এইবাৰ ৰাজ্য চৰকাৰে গোলাঘাটৰ উৰিয়ামঘাটত উচ্ছেদ চলোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰাৰ বাতৰি দৈনিক জনমভূমি আৰু দি আছাম ট্ৰিবিউন কাকতে প্ৰকাশ কৰিছে।

অসমীয়া খবৰ কাকতে অবৈধ অনুপ্ৰৱেশকাৰী ১২ গৰাকী বাংলাদেশী নাগৰিকক পুছবেক কৰাৰ বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

এতিয়া আহক আমি পুনৰ বাতৰিৰ মাজলৈ উভতি যাও।

০০০০০০০

হোজাই জিলা আইন সেৱা প্ৰাধিকৰণ আৰু জিলা শিশু সুৰক্ষা গোটৰ উদ্যোগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বাল্যবিবাহ আৰু মাদক দ্ৰব্য সেৱনৰ বিষয়ত এটা সজাগতামূলক কাৰ্যসূচী অনুষ্ঠিত হয়। ভালুকমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অনুষ্ঠিত এই সজাগতা কাৰ্যসূচীত জিলা আইন প্ৰাধীকৰণৰ সচিব মেৰলিন হাজৰিকাই ছাত্ৰ-ছাত্ৰীসকলক বাল্য বিবাহ আৰু মাদক দ্ৰব্য সেৱনৰ অপকাৰিতাৰ বিষয়ে বক্তব্য আগবঢ়ায়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক মাদক দ্ৰব্য সেৱনৰ পৰা বিৰত থাকি নিজৰ ভৱিষ্যত সুৰক্ষিত কৰিবলৈ আহ্বান জনায়।

০০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৪ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৬ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই প্ৰকাশ কৰিছে।

০০০০০০০

**সমাপ্ত**